# হে ৰাম !



প্ৰকাশক -
দৰ্শন বিভাগ
প্ৰমথেশ বৰুৱা মহাবিদ্যালয়, গৌৰীপুৰ
ধুবুৰী ঃঃ অসম

# Hey Ram !

Edited by-
Aminur Islam,
Shyamal Ch. Sarkar
Digambar Ch. Nath

ISBN 978-81-928411-7-5

কৃতজ্ঞতা স্বীকাৰ—
Zand Educational & Research Foundation, Gauripur

প্ৰথম প্ৰকাশ
২০১৮

প্ৰকাশক
দৰ্শন বিভাগ,
প্ৰমথেশ বৰুৱা মহাবিদ্যালয়, গৌৰীপুৰ

মুদ্ৰণ
ছিদ্দিক অফছেট প্ৰিণ্টিং প্ৰেছ, গৌৰীপুৰ (বেপাৰীপুট্টী)
জিলা ঃ ধুবুৰী (অসম)
পিন- ৭৮৩৩৩১
E-mail : Abusiddique157@gmail.com
Phone : 8876130698, 7002705600

মুল্য ঃ ১৫০.০০ টকা মাত্ৰ

# সূচীপত্র


১। হে ৰাম .................... ১

*ড° শ্যামল চন্দ্ৰ সৰকাৰ*

২। মহাত্মা গান্ধীজীৰ জীৱন, বৃত্তি আৰু সংগ্ৰাম .................... ৯

*মেহেৰুন নেছা*

৩। ধৰ্ম আৰু ঈশ্বৰ সম্পৰ্কে গান্ধীজীৰ ধাৰণা .................... ২২

*নাজৰিণ চুলতানা পাৰবিন*

৪। গান্ধীজীৰ সপোনৰ ৰামৰাজ্য .................... ৪০

*জেছমিনা খাতুন*

৫। গান্ধীজী আৰু তেওঁৰ অহিংসা নীতিৰ ভূমিকা .................... ৬২

*ছামিমুল ইছলাম মণ্ডল*

৬। গান্ধীজীৰ বুনিয়াদি শিক্ষাৰ মৌলিক নীতি .................... ৭৯

*বেগম উম্মা হাবিবা*

৭। কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু মহাত্মা গান্ধীৰ বন্ধুত্ব .................... ৯৭

*দিগম্বৰ চন্দ্ৰ নাথ*

৮। মহাত্মা গান্ধী আধুনিক ভাৰতৰ এক বিস্ময়কৰ ঘটনা .................... ১০৩

*আমিনুৰ ইছলাম*

# হে ৰাম!

ড° শ্যামল চন্দ্ৰ সৰকাৰ

ভাৰতবৰ্ষত অৱস্থিত গুজৰাটৰ কাঠিৱাৰ বা সৌৰাষ্ট্ৰ চহৰৰ পোৰবন্দৰৰ সুমদাপুৰী গাৱঁত ১৮৬৯ চনৰ অক্টোবৰৰ ২ (দুই) তাৰিখ বৈশ্যবৰ্ণত এজন মহান ব্যক্তিয়ে জন্ম গ্ৰহণ কৰে। এই মহান ব্যক্তিজনৰ নাম হ'ল মোহনদাস কৰমচাঁদ গান্ধী। তেওঁৰ দেউতাকৰ নাম হ'ল কৰমচাঁদ গান্ধী আৰু মাকৰ নাম হ'ল পুতলিবাই। শিশু অৱস্থাত তেওঁক মানু, মনীবা, মোহন, মোহনদাস আদি নামেৰে মতা হৈছিল। ১৩ বছৰ বয়সত মোহনদাস কৰমচাঁদ গান্ধীয়ে কসতুৰিবাই মখানজী নামৰ ছোৱালী এজনীক বিয়া কৰায় আৰু হৰিলাল, দেৱদাস, মনিলাল, ৰামদাস, নামৰ চাৰিটা সন্তানৰ পিতৃ হয়। দক্ষিণ আফ্ৰিকাত থকা সময়ত তেওঁক তেওঁৰ সহকৰ্মী সকলে "ভাই" বুলি সম্বোধন কৰিছিল। ভাৰতলৈ উভতি অহাৰ পিছত মানুহে তেওঁক "মহাত্মা" বুলি সম্বৰ্দ্ধনা জনায়। ইয়াৰ পিছৰ পৰাই জনসমাজত তেওঁ মহাত্মা গান্ধীৰূপে পৰিচিত হয় আৰু লাহে লাহে সমগ্ৰ মানৱ সমাজত তেওঁ মহাত্মা গান্ধীৰূপে পৰিচিত হয়। মহাত্মা গান্ধীৰ পিতাক আৰু ককাক পোৰবন্দৰৰ দেৱান আছিল। ল'ৰালী কালত তেওঁ যদিও পঢ়াশুনাত বিশেষ প্ৰতিভা দেখুৱাব পৰা নাছিল, তথাপি তেওঁৰ বুদ্ধিবৃত্তি সাধাৰণ ল'ৰা-ছোৱালীতকৈ উন্নত আছিল। ল'ৰালী কালৰ পৰাই গান্ধীয়ে সত্য আৰু সাধুতাৰ আৰ্দশৰ প্ৰতি আকৃষ্ট হৈছিল। ঈশ্বৰৰ ওপৰত থকা তেওঁৰ অগাধ বিশ্বাসে তেওঁক সকলো ধৰ্মৰ প্ৰতি শ্ৰদ্ধাৰভাৱ জগাই তুলিছিল। ১৮৮৮ চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ বিলাতত (বৰ্তমান ইংলেণ্ড) ওকালতি পঢ়িবলৈ যায় আৰু ১৮৯১ চনত তেওঁ ওকালতি পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হয়। প্ৰথমতে, মহাত্মা গান্ধীয়ে বোম্বাই আৰু ৰাজকোটত ওকালতি কৰিবলৈ আৰম্ভ কৰে। পিছত ১৮৯৩ চনত ওকালতি কৰিবলৈ দক্ষিণ আফ্ৰিকালৈ যায়। তেওঁ সুদীৰ্ঘ ২১ বছৰ দক্ষিণ আফ্ৰিকাত কটায় আৰু সেই সময়ছোৱাতে ইংৰাজসকলে ভাৰতীয় সকলক অপব্যৱহাৰৰ প্ৰতিবাদ কৰিবলৈ কৰা সংগ্ৰামৰ নেতৃত্বলয়। "সত্যাগ্ৰহ"ৰ যোগেদি ইংৰাজসকলৰ বিৰুদ্ধে কৰা প্ৰতিবাদৰ